আকাংখা বৃদ্ধি পায় আৰু ইয়াৰ ফলত মুদ্ৰাৰ মূল্য বৃদ্ধি হয় আৰু দৰস্তৰ হ্ৰাস পায়।

(vii) **তাৰল্য প্ৰীতি তত্বৰ ভিত্তি** (Basic of Liquidity preference theory) ঃ ক্ৰেম্বিজ তত্বই নগদ মুদ্ৰা ৰখাৰ অভিপ্ৰায় (motive) ৰ চাহিদাৰ ওপৰত গুৰুত্ব আৰোপ কৰি কেইনছ্ৰ সুদৰ তাৰল্যপ্ৰীতি তত্বৰ উন্নয়ণৰ ভেটি স্থাপন কৰে। তাৰল্য প্ৰীতি তত্ব সাম্প্ৰতিক সময়ৰ আৰু নিয়োগ তত্বৰ এক উল্লেখযোগ্য উপাদান আৰু ইয়াৰ অৰ্ন্তভূক্তিয়ে বাণিজ্য চক্ৰ নিয়ন্ত্ৰণত ৰাজকোষীয় নীতি (fiscal policy) ৰ গুৰুত্ব বৃদ্ধি কৰে।

(viii) **সূচক সমূহৰ প্ৰকৃতি** (Nature of variables) ঃ

ফিচাৰৰ সমীকৰণৰ তুলনাত ক্ৰেম্বিজ সমীকৰণত বিভিন্ন সূচক সমূহৰ সংজ্ঞা, ইয়াৰ প্ৰকৃতি আদি অধিক উন্নত আৰু বাস্তৱিক ৰূপত আগবঢ়োৱা হৈছে। ফিচাৰৰ সমীকৰণত T ক সৰ্ব্বমুঠ লেনদেন হিচাপে উল্লেখ কৰা হৈছে। কিন্তু, ক্ৰেম্বিজ সমীকৰণত T য়ে কেৱল চূড়ান্ত দ্ৰব্য-সামগ্ৰী আৰু সেৱাক বুজাইছে। একেদৰে, ফিচাৰৰ সমীকৰণত P য়ে এক নিৰ্দিষ্ট সময়ত লেনদেন হোৱা সকলো দ্ৰব্যৰ গড় দৰস্তৰ বুজাইছে। কিন্তু ক্ৰেম্বিজ সমীকৰণত Pয়ে কেৱল চূড়ান্ত দ্ৰব্য (Final goods) ৰ সাধাৰণ দৰস্তৰ বুজাইছে।

(ix) **সাধাৰণ চাহিদা বিশ্লেষণ** (General demand analysis) ঃ

ক্ৰেম্বিজ তত্বক অৰ্থনীতিবিদ সকলে এই কাৰণেই অগ্ৰাধিকাৰ দিছে যে, এই তত্বই সাধাৰণ চাহিদা বিশ্লেষণক মুদ্ৰাৰ এক বিশেষ দিশ হিচাপে উল্লেখ কৰিছে। ই মুদ্ৰাৰ উপযোগিতা, ব্যক্তিয়ে সন্মুখীন হোৱা বাজেট সীমাবদ্ধতাৰ প্ৰকৃতি আৰু অন্যান্য সম্পদৰ বিপৰীতে মুদ্ৰা হাতত ৰখাৰ সুযোগ ব্যয় (opportunity cost) অনুসন্ধান কৰে।

## 3.7 ফ্ৰিড্‌মেনৰ মুদ্ৰাৰ পৰিমাণ তত্ব পুনঃব্যাখ্যা (Friedman's Restatement of Quality theory of money)ঃ

১৯৪০ দশকত সংস্থাপিত আৰ্থিক পৰম্পৰাৰ বিৰুদ্ধে কেইনছ্‌ৰ বিপ্লৱ সুদুৰ প্ৰসাৰী প্ৰভাৱ পেলোৱাৰ সময়ছোৱাত চিকাগো বিশ্ববিদ্যালয়ত খুব কমসংখ্যক অৰ্থনীতিবিদ আছিল যিসকলে সংস্থাপিত (clasical) অৰ্থব্যৱস্থা আৰু মুদ্ৰাৰ পৰিমাণ তত্বক সমালোচনাৰ পৰা ৰক্ষা কৰে। ১৯৫০ দশকত চিকাগো গোষ্ঠী (school) ৰ হৈ মিলটন ফ্ৰিড্‌মেনে আধুনিক মুদ্ৰাৰ পৰিমাণ তত্ব আৰু মৌদ্ৰিক গোষ্ঠী (Monetarist) ৰ দায়িত্ব লয়। ফ্ৰিড্‌মেনে মুদ্ৰা পৰিমাণ তত্বৰ আটাইতকৈ ৰুচিসম্পন্ন আৰু জটিল বিশ্লেষণ তেওঁৰ পত্ৰ "The quantity theory of money - A restatement" ত ১৯৫৬ চনত প্ৰকাশ কৰে।

### 1. ফ্ৰিড্‌মেন তত্বৰ মৌলিক বৈশিষ্ট সমূহ (Basic features of Friedman's theory) ঃ

মিলটন ফ্ৰিড্‌মেনে উল্লেখ কৰা মুদ্ৰাৰ পৰিমাণ তত্বৰ মূল আৰু মৌলিক বৈশিষ্ট সমূহ সংক্ষেপে তলত দিয়া ধৰণৰ—

(i) **মুদ্ৰা চাহিদাৰ সম্পদ তত্ব** (Weath theory of demand for money) ঃ ফ্ৰিড্‌মেনৰ মুদ্ৰাৰ পৰিমাণ তত্ব মুদ্ৰা চাহিদাৰ সম্পদ তত্ব। ই দৰস্তৰ বা মুদ্ৰা আয় বা উৎপাদন তত্ব নহয়। মুদ্ৰা হ'ল এক প্ৰকাৰৰ মূলধন দ্ৰব্য যাক ই আগবঢ়োৱা বিভিন্ন সেৱাৰ কাৰণে ৰখা হয়। গতিকে মুদ্ৰাক এক সম্পদ বা মূলধন হিচাপে চাহিদা কৰা হয়। সেয়েহে মুদ্ৰাৰ চাহিদা তত্ব, মূলধন বা সম্পদ তত্বৰ এক অংশ।

(ii) **ব্যাপক গণ্ডীৰ মুদ্ৰাৰ ধাৰণা** (Broader concept of money) ঃ ফ্ৰিড্‌মেনে মুদ্ৰাৰ চাহিদা ধাৰণাক নিৰ্দিষ্ট অভিপ্ৰায়ৰ বিপৰীতে সামগ্ৰীক চাহিদা দৃষ্টিকোণৰ দিশেৰে বিবেচনা কৰিছে। কেইনছে উল্লেখ কৰা দৰে তেওঁ মুদ্ৰাক সক্ৰিয় (active) আৰু নিষ্কিয় (idle) জমাৰ মাজত পাৰ্থক্য উল্লেখ কৰা নাই। ইয়াৰ বিপৰীতে মুদ্ৰাই-বিভিন্ন ধৰণৰ সেৱাকাৰ্য্য আগবঢ়ায়। ইয়াৰ কাৰণ এই যে, মুদ্ৰা ক্ৰয় ক্ষমতা সাধাৰণীকৰণৰ এক আৱাস হিচাপে কাৰ্য্য সম্পাদন কৰে।

(iii) **সাধাৰণ চাহিদা বিশ্লেষণ** (General demand analysis) ঃ ফ্ৰিড্‌মেনে মুদ্ৰাৰ ক্ষেত্ৰত সাধাৰণ চাহিদা বিশ্লেষণ প্ৰয়োগ কৰিছে। সম্পদৰ সৰ্বশেষ গৰাকী হ'ল গৃহস্থী (households), যিয়ে মুদ্ৰাক এক স্থায়ী (durable) ভোগ্য সামগ্ৰী বুলি ভাৱে। গতিকে ভোগ্য সামগ্ৰীৰ সাধাৰণ চাহিদা তত্বক, মুদ্ৰা চাহিদা ক্ষেত্ৰতো প্ৰয়োগ কৰিব পাৰি। ফ্ৰিড্‌মেনে ধৰি লৈছে যে, মুদ্ৰাৰ গৰাকী সকলৰ ৰুচি আৰু অগ্ৰাধিকাৰ দীৰ্ঘকাল ধৰি স্থিৰে থাকে। তাৰোপৰি মুদ্ৰাৰ ক্ষেত্ৰত ক্ৰমহ্ৰাসমান প্ৰান্তিক বিকল্প হাৰ বিধি (Law of diminishing marginal rate of substitution) প্ৰযোজ্য হয়।

(iv) **সম্পদ গঠন** (Forms of Wealth) ঃ ফ্ৰিড্‌মেনে মুদ্ৰাৰ চাহিদা বিশ্লেষণৰ ক্ষেত্ৰত সম্পদৰ এক ব্যাপক ধাৰণা ব্যৱহাৰ কৰিছে। তেওঁৰ মতে, আয় সৃষ্টি কৰিব পৰা যিকোনো বস্তু সম্পদ আৰু এনেদৰে পৰম্পৰাগত সকলো বস্তু সম্পদৰ অন্তৰ্ভূক্ত। এই সংজ্ঞাই মানৱ সম্পদকে সাঙুৰি লৈছে। এই ক্ষেত্ৰত ফ্ৰিড্‌মেনে পাঁচ প্ৰকাৰৰ বিভিন্ন সম্পদৰ কথা উল্লেখ কৰিছে। (a) মুদ্ৰা- money, (b) বণ্ডচ্- Bonds, (c) ব্যৱসায়িক প্ৰতিষ্ঠানৰ সাধাৰণ অংশ- Equities, (d) বস্তুগত সামগ্ৰী - Physical goods আৰু (e) মানৱ মূলধন - Human capital।

(v) **মুদ্ৰাৰ চাহিদা নিৰ্দ্ধাৰক সমূহ** (Determinats of demand for money) ঃ মুদ্ৰাৰ চাহিদা ব্যাপক ভিত্তিত তিনিটা মুল উপাদান ওপৰত নিৰ্ভৰ কৰে। (a) বিভিন্ন আকাৰত ৰখা মুঠ সম্পদ, (b) আপেক্ষিক দৰ আৰু এক প্ৰকাৰৰ সম্পদৰ পৰা অন্য প্ৰকাৰৰ সম্পদৰ তুলনাত লাভ কৰা প্ৰতিদান (return) আৰু (c) সম্পদৰ গৰাকীৰ ৰুচি আৰু অগ্ৰাধিকাৰ। আকৌ নগদ জমা ব্যয় প্ৰভাৱিত কৰে, সুদৰ হাৰ আৰু প্ৰত্যাশিত দৰস্তৰ পৰিবৰ্তনৰ হাৰে। সুদৰ হাৰ বা দৰস্তৰ বৃদ্ধি নগদ জমা হ্ৰাসৰ কাৰণ আৰু ইয়াৰ বিপৰীত অৱস্থাত সুদৰ হাৰ বা দৰস্তৰ হ্ৰাস নগদ জমা বৃদ্ধিৰ কাৰণ।

2. **ফ্ৰিড্‌মেনৰ মুদ্ৰা চাহিদা ফলন** (Friedman's demand for money function) ঃ

ফ্ৰিড্‌মেনে আগবঢ়োৱা মুদ্ৰাৰ চাহিদা ফলন তলত দিয়া ধৰণে উল্লেখ কৰিব পাৰি।

$M= f(Y, w, P, r_b, r_e, r_c, u)$ .................. (i)

য'ত,

M = মুদ্ৰাৰ সামগ্ৰিক চাহিদা

Y = মুঠ প্ৰৱাহিত আয়ৰ পৰিমাণ

W = মানৱ আৰু মানৱহীন সম্পদৰ অনুপাত

$P$ = সাধাৰণ মূল্যস্তৰ

$r_b$ = বজাৰ ভিত্তিক বণ্ডৰ সুদৰ হাৰ

$r_e$ = ব্যৱসায়িক প্ৰতিষ্ঠানৰ বজাৰ ভিত্তিক সাধাৰণ অংশ প্ৰত্ৰৰ সুদৰ হাৰ।

$r_c$ = দ্ৰব্য-সামগ্ৰীৰ প্ৰত্যাশিত দৰ পৰিবৰ্তনৰ হাৰ।

$u$ = ব্যক্তিৰ ৰুচি আৰু অগ্ৰাধিকাৰৰ ওপৰত প্ৰভাৱ পেলোৱা উপযোগিতা নিৰ্দ্ধাৰণকাৰী সূচক সমূহ।

ওপৰত উল্লেখ কৰা (i) নং সমীকৰণে এইটো নিৰ্দ্দেশ কৰে যে, দৰ আৰু মুদ্ৰাগত আয় প্ৰকাশৰ একক সমূহৰ পৰিবৰ্তনে আনুপাতিক হাৰত মুদ্ৰাৰ চাহিদা পৰিমাণৰ পৰিবৰ্তন ঘটায়। এই সমীকৰণে P আৰু Y ৰ প্ৰথম মাত্ৰা (First degree) ৰ সমতত্ব (homogeneous) কাৰ্য্য প্ৰকাশ কৰে। অন্য কথাত, যদি দৰ স্তৰ আৰু মুদ্ৰাৰ পৰিমাণ প্ৰাৰম্ভিক অৱস্থাৰ পৰা λ গুণে বৃদ্ধি হয়, তেনেহ'লে মুদ্ৰাৰ চাহিদাও প্ৰাৰম্ভিক পৰিমাণৰ পৰা λ গুণ বৃদ্ধি পাব। গতিকে,

$\lambda M = f(\lambda Y, w, \lambda p, rb, re, rc, u)$ ...............(ii)

3. **মুদ্ৰাৰ পৰিমাণ তত্বৰ আধুনিক সংস্কৰণ** (Modern version of quantity theory of moeny) ঃ

ফ্ৰিড্‌মেনৰ মুদ্ৰাৰ পৰিমাণ তত্ব প্ৰতিনিধিত্ব কৰাকৈ λ ৰ মান 1/λ ক (ii)নং সমীকৰণত বহুৱাই আমি পাওঁ যে,

$M/Y = f(W, P/Y, rb, re, rc, u)$

$= 1/v\,(W, P/Y, r_b, r_e, r_c, u)$

গতিকে, $Y = f(w, P/Y, rb, re, rc, u)\,M$

য'ত, V হ'ল আয়ৰ গতিবেগ।

ফ্ৰিড্‌মেনে উল্লেখ কৰে যে, মুদ্ৰাৰ মজুত পৰিবৰ্তনে দৰস্তৰ, আয় বা দুয়োটাকে একে দিশত পৰিবৰ্তন ঘটায়। মুদ্ৰাৰ আধুনিক তত্বমতে, যেতিয়ালৈকে মুদ্ৰাৰ চাহিদা স্থিৰে থাকে, মুদ্ৰাৰ যোগান পৰিবৰ্তনে দৰস্তৰৰ পৰিবৰ্তন ঘটায়। মুদ্ৰাৰ যোগানে জাতীয় আয়ৰ মূল্য আৰু অৰ্থনৈতিক কাম-কাজতো প্ৰভাৱ পেলায়, কিন্তু কেৱল হ্ৰস্বকালত। ফ্ৰিড্‌মেনৰ মতে মুদ্ৰাৰ চাহিদাৰ স্থিৰতা এক আচৰণগত প্ৰামাণিক বিষয়। যেতিয়ালৈকে মুদ্ৰাৰ চাহিদা স্থিৰে থাকে, তেতিয়ালৈকে মুদ্ৰাৰ যোগানে মুঠ ব্যয় আৰু আয়ৰ ওপৰত পেলাব পৰা প্ৰভাৱ পূৰ্ব্বনুমাণ কৰাটো সম্ভৱ।

ফ্ৰিড্‌মেনে নেতৃত্ব দিয়া মৌদ্ৰিক গোষ্ঠীয়ে উল্লেখ কৰে যে, যদি অৰ্থব্যৱস্থা পূৰ্ণনিয়োগ অৱস্থাৰ তলত থাকে তেতিয়া বৰ্দ্ধিত ব্যয়ে উৎপাদন আৰু নিয়োগ বৃদ্ধি কৰিব। ই সম্ভৱ কেৱল হ্ৰস্বকালৰ বাবে। অন্যান্য প্ৰকৃত উপাদান সমূহৰ কাৰণে পুনৰ অৰ্থব্যৱস্থা তললৈ গতি কৰিব। মৌদ্ৰিক গোষ্ঠীৰ মতে দীৰ্ঘকালত মুদ্ৰাৰ যোগান পৰিবৰ্তনে প্ৰকৃত সূচক সমূহৰ ওপৰত প্ৰভাৱ নেপেলায়। পূৰ্ণ-নিয়োগ স্তৰত মুদ্ৰাৰ যোগান বৃদ্ধিয়ে দৰস্তৰ বৃদ্ধি কৰিব।

পূৰ্ণনিয়োগৰ আগতে মুদ্ৰাৰ যোগান (M) আৰু ব্যয় বৃদ্ধিৰ ফলত আয় (Y) বৃদ্ধি পায়। আয় বৃদ্ধিৰ পৰিমাণ নিৰ্ণায়ক ভাৱে মুদ্ৰাৰ যোগান আৰু আয়ৰ অনুপাত (Y/M) বা গতিবেগৰ ওপৰত নিৰ্ভৰ কৰে। এটা সীমাত উপনীত নোহোৱালৈকে আয় একাদিক্ৰমে বৃদ্ধি পাব, য'ত ই পূৰ্বৰ অনুপাত (Y/M) ত উপনীত হ'ব; কাৰণ এই বিন্দুত উৎপাদন আৰু অধিক বৃদ্ধি নহয়। এনে পৰ্যায়ত ব্যক্তিয়ে মুদ্ৰা ব্যয়তকৈ চাহিদাত অধিক গুৰুত্ব দিব আৰু পুনৰ মুদ্ৰাৰ যোগান আৰু

চাহিদা সমান হ'ব।

চিত্ৰ 3.D ত উলম্ব Ms ৰেখাই মুদ্ৰাৰ যোগান প্ৰতিনিধিত্ব কৰিছে আৰু আয় পৰিবৰ্তনৰ ক্ষেত্ৰত সম্পূৰ্ণ অস্থিতিস্থাপক। ভাৰসাম্য আয়স্তৰ হ'ল Yo, য'ত মুদ্ৰাৰ চাহিদা আৰু যোগান সমান (Md =Ms)। যদি মুদ্ৰাৰ যোগান (Ms) ৰেখা সোঁফালে ($Ms_1$) লৈ স্থানান্তৰ হয় আৰু আয়স্তৰ $Y_1$ লৈ বৃদ্ধি হয় (Ms > Md) আৰু ব্যয় তেতিয়ালৈকে বৃদ্ধি পাব যেতিয়ালৈকে উচ্চ আয়স্তৰ ($Y_1$)ত মুদ্ৰাৰ যোগান আৰু চাহিদা সমান নহয়।





Fig. 3.D

4. **আধুনিক মুদ্ৰাৰ পৰিমাণ তত্বৰ তাৎপৰ্য** (Significance of Modern quantity theory of money) :

(i) **ব্যৱহাৰিক প্ৰকল্প** (empirical hypothesis) : মুদ্ৰাৰ পৰিমাণ তত্ববিদ সকলে ফ্ৰিড্মেনৰ ব্যৱহাৰিক প্ৰকল্প সমৰ্থন কৰি কয় যে, মুদ্ৰাৰ চাহিদা বিষয়টো ভোগ কাৰ্য্য আদিৰ দৰে বিষয়বোৰতকৈ অধিক স্থিৰ। ফ্ৰিড্মেনৰ মতে, স্থিৰ কাৰ্য্যই স্থিৰ গতিবেগক নুবুজায়। অৰ্থাৎ, এই ক্ষেত্ৰত মূল্য নিৰ্দ্ধাৰণকাৰী সূচক সমূহহে স্থিৰে থাকে। গতিকে মুদ্ৰাস্ফীতিৰ সময়ত ইয়াৰ গতিবেগ বৃদ্ধিয়ে ক্ৰিয়াত্মক স্থিৰতাৰ সৈতে সংগতি ৰাখে।

(ii) **দৰস্তৰৰ মূখ্য ভূমিকা** (Key role price level) : মৌদ্ৰিক তত্ববিদ সকলে মুদ্ৰাৰ চাহিদা কাৰ্য্যত দৰস্তৰক একমাত্ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ সূচক হিচাপে গণ্য কৰে। দৰস্তৰে মুদ্ৰা আৰু মুদ্ৰাস্ফৃতিৰ মাজত যোগাসূত্ৰ স্থাপন কৰি বিশ্লেষণত সহায় কৰে। দৰস্তৰ আৰু মুদ্ৰাৰ মূল্যৰ পাৰস্পৰিক (reciprocal) সম্পৰ্কই মুদ্ৰাৰ যোগান আৰু চাহিদাৰ মাজত সমতা স্থাপনত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে।

(iii) আয়ৰ গতিবেগ পৰিবৰ্তনৰ বিশ্লেষণ (...